**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস। সমগ্ৰ বিশ্বই প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰতিবছৰে ৩ ডিচেম্বৰৰ দিনটো আন্তৰ্জাতিক দিব্যাংগ দিৱস হিচাপে পালন কৰি আহিছে। অসমতো আজি এই দিনটো ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হ'ব। দিব্যাংগ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই দিব্যাংগসকললৈ শুভেচ্ছা জনাই কয়, যে এখন সুস্থ সবল আৰু নিকা সমাজ গঢ়িবলৈ প্ৰতিগৰাকী ব্যক্তিৰ সমাজ জীৱনলৈ আশানুৰূপ অৰিহণা নিতান্তই প্ৰয়োজন। জীৱন সংগ্ৰামৰ সৈতে হাৰ নমনা দিব্য অংগৰ অধিকাৰী প্ৰতিগৰাকী ব্যক্তিয়ে আজি সমগ্ৰ বিশ্বৰে মানৱ সম্পদ।

০০০০০০০

সমগ্ৰ অসমত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **মাজুলীত** ১৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **তিনিচুকীয়াৰ** ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ খন চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাতশিঙিমাৰীত ১৭ টা স্বাস্থ্যকেন্দ্ৰত এই কাৰ্যসূচী ৰূপায়ণ কৰা হব।

০০০০০০০

পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈয়ে ১৯৬২ চনত পত্নী হেমলতা সন্দিকৈৰ সোঁৱৰণত প্ৰতিষ্ঠা কৰা যোৰহাটৰ প্ৰথমখন ইংৰাজী মাধ্যমৰ বিদ্যালয় হেমলতা সন্দিকৈ মেম'ৰিয়েল ইনষ্টিটিউটৰ বাৰ্ষিক সমাৰোহ পৰহি লিচুবাৰীস্থিত বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে হেমলতা সন্দিকৈ সোঁৱৰণী ইনষ্টিটিউটৰ প্ৰাক্তন শিক্ষাৰ্থী সন্থাৰ সভাপতি ৰমেশ আগৰৱালাই। বিদ্যালয়ৰ অধ্যক্ষ অৰুণিমা ভূঞাই আদৰণি ভাষণ আগবঢ়োৱা সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰাক্তন শিক্ষক তথা প্ৰাক্তন ছাত্ৰসকলে বিদ্যালয়খনৰ ইতিহাস সম্পৰ্কে বক্তব্য আগবঢ়ায়।

০০০০০০০

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ, মতবাদ আৰু বৰ্ণিল কৃষ্টি-সংস্কৃতিক বিশ্বমুখী কৰাৰ লক্ষ্যৰে এইবাৰো ওড়িশাৰ পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ সংস্কৃতি সমাজৰ পুৰী প্ৰকল্পৰ উদ্যোগত আজিৰেপৰা তিনিদিনীয়া

কাৰ্যসূচীৰে পুৰী মহোৎসৱ অনুষ্ঠিত হ'ব। ওড়িশাৰ পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া পুৰী মহোৎসৱৰ আজি পুৱা ১০ বজাত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব।

০০০০০০০

গুৱাহাটী মাষ্টাৰ্ছ হাণ্ড্ৰেদ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা আজিৰে পৰা গুৱাহাটীৰ সৰুসজাইৰ নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত আৰম্ভ হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে বিশ্বৰ ২৩ খন দেশৰ পুৰুষ আৰু মহিলা শ্বাটলাৰসকল গুৱাহাটীত উপস্থিত হৈছে। এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে চীন আৰু জাপানৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰচিদে প্ৰকাশ কৰা অনুসৰি আয়োজক ভাৰতৰ পাছতে চীনৰ ৩২ জনীয়া দলটো প্ৰতিযোগিতাৰ সৰ্ববৃহৎ দল। প্ৰতিযোগিতাখনত ভাৰতীয় দলৰ হৈ অসমৰ ইশাৰাণী বৰুৱা, সুৰজ গোৱালা আৰু অৰিজিত চলিহাই কোৱালিফাইং মেচ খেলিব। প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ একক তথা ডাবলছৰ লগতে মিক্সড ডাবলছ্ শাখাতো খেল অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ৪৬১ গৰাকী খেলুৱৈয়ে অংশ লব। অহা ৮ ডিচেম্বৰত প্ৰতিযোগিতাৰ অন্ত পৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

**সমাপ্ত**